# অৰিয়েণ্টৰ নতুন ব্ৰেণ্ড মুকলি

গুৱাহাটী, ২৩ এপ্ৰিল ঃ ডাইভাৰ্চিফাইড ভাৰতীয় কংগোলমেৰেট চি কে বিৰলা গ্ৰুপৰ অংগ অ'ৰিয়েণ্ট ইলেকট্ৰিকছে অলপতে নিজৰ নতুন ব্ৰেণ্ড পৰিচয় 'অ'ৰিয়েণ্ট ইলেকট্ৰিক'ৰ মুকলি কৰে। দেশৰ সকলোতকৈ পুৰণা আৰু সকলোতকৈ ডাঙৰ ফেন নিৰ্মাতা অ'ৰিয়েণ্টে ভাৰতীয় ফেন উদ্যোগত এটা মহত্বপূৰ্ণ খেলুৱৈৰ স্থানৰ পৰা স্মাৰ্ট হোম ছলিউচন প্ৰ'ভাইডাৰ হোৱাৰ দিশে আগবাঢ়িছে। এক বিস্তৃত গ্ৰাহক অভিজ্ঞতা প্ৰদানৰ লক্ষ্যৰে অ'ৰিয়েণ্ট ইলেকট্ৰিকে ৰুচিকৰ ডিজাইন, বিজুলী বাহি কৰা লাইটিং সামগ্ৰী, ফেন আৰু হোম এপ্লায়েন্সৰ শৃংখলৰ লগতে ব্ৰেণ্ডৰ কুল কেৰেক্টেৰক আগবঢ়াইলে তৈয়াৰ হৈছে। এইপ্ৰসংগতে চি কে বিৰলা গ্ৰুপৰ চেয়াৰমেন মিঃ চি কে বিৰলাই কয়, "অ'ৰিয়েণ্ট ইলেকট্ৰিক এটা উৎপাদন কোম্পানীৰ পৰা লাইফষ্টাইল হোম ছলিউচন প্ৰ'ভাইডাৰৰ ৰূপত বিকশিত হৈছে। এই ব্ৰেণ্ডে নতুন প্ৰজন্মৰ ব্যৱহাৰকাৰীৰ বাঢ়ি অহা প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ দিশত আগবঢ়াত সমৰ্থ হ'ব। ভৌগোলিক বিস্তৃতিয়ে অ'ৰিয়েণ্ট ইলেকট্ৰিকক পৃথিৱীৰ ভিতৰত বিকশিতৰ লগতে ইমাৰজিং বজাৰলৈও লৈ যাব।" এই প্ৰসংগতে অ'ৰিয়েণ্ট ইলেকট্ৰিকৰ চি ই অ' মিঃ মনোজ বাৰ্মাই কয়, "নতুন দায়বদ্ধতাৰ সৈতে আমি আমাৰ ইন-হাউছ উৎপাদন আৰু আৰ এণ্ড ডি ক্ষমতাৰ বিস্তাৰ কৰিছে, যাতে আমি প্ৰডাক্ট আৰু সমাধান প্ৰদানৰ লগতে উচ্চ ক্ষমতাসম্পন্ন দক্ষতা, সুৰক্ষা আৰু দীৰ্ঘজীৱীতা সহজ উপায়েৰে প্ৰদান কৰিব পাৰো। আমাৰ নতুন ইণ্টিগ্ৰেটেড অভিযান 'ছুইচ্‌ টু স্মাৰ্ট'ত এনেকুৱা চিন্তা নিহিত আছে, যি আগলৈ স্মাৰ্ট গ্ৰাহকৰ ওচৰত থিয় দিব, যিয়ে লাইফষ্টাইল আৰু সহজ সমাধান বিচাৰি আছে।" কোম্পানীটোৰ ৰিপ'জিছনিঙৰ ৰণনীতিৰ ভিতৰত অ'ৰিয়েণ্ট ইলেকট্ৰিকে নতুন কোম্পানী ল'গ' অ'ৰেঞ্জ ৰঙত মুকলি কৰিছে, যিয়ে আপোন আপোন আৰু ৰক্ষণাত্মক প্ৰবৃত্তিক প্ৰতিফলিত কৰে। কোম্পানীয়ে এটা টিভি কমাৰ্চিয়েলৰ লগতে এটা ৩৬০° ইণ্টিগ্ৰেটেড ব্ৰেণ্ড কেম্পেইনো মুকলি কৰিছে, যিয়ে ব্ৰেণ্ডটোৰ বিভিন্ন উৎপাদন প'ৰ্টফলিঅ' (যেনে ফেন, লাইটিং সামগ্ৰী আৰু হোম এপ্লায়েন্স) আৰু স্মাৰ্ট ছলিউচন আগবঢ়াব।